**4 SEM TDC ASMH (CBCS) C 10**

**2023**

( May/June )

ASSAMESE

( Core )

Paper : C–10

**( অসমীয়া গদ্যৰ চানেকি )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) অসমীয়া গদ্যসাহিত্যৰ জন্মদাতা হিচাপে কাক আখ্যা দিয়া হয়?

(খ) সূৰ্য্যকুমাৰ ভূঞাই সম্পাদনা কৰা বুৰঞ্জী এখনৰ নাম লিখাঁ।

(গ) ড০ লীলা গগৈয়ে ৰচনা কৰা বুৰঞ্জী-বিষয়ক গ্ৰন্থখনৰ নাম কি?

(ঘ) 'অসমীয়া কথা সাহিত্য' শীৰ্ষক গ্ৰন্থখনৰ ৰচক কোন?

(ঙ) বেণুধৰ শৰ্মাই কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

(চ) হীৰেন গোহাঁইয়ে ৰচনা কৰা সাহিত্যৰ আলোচনা-বিষয়ক এখন গ্ৰন্থৰ নাম লিখাঁ।

(ছ) 'জাতীয় চৈতন্য' পাঠটোৰ ৰচক কোন?

(জ) ভট্টদেৱে ৰচনা কৰা এখন গদ্য-পুথিৰ নাম লিখাঁ।

২। উত্তৰ দিয়াঁ : ২×৫=১০

(ক) শংকৰদেৱৰ অংকীয়া নাটৰ গদ্যক কিয় বিশুদ্ধ গদ্য হিচাপে স্বীকৃতি দিব নোৱাৰি তাৰ দুটা কাৰণ লিখাঁ।

(খ) বুৰঞ্জীৰ গদ্য আৰু চৰিতপুথিৰ গদ্যৰ দুটা পাৰ্থক্য লিখাঁ।

(গ) 'অৰুণোদই' আলোচনীৰ অসমীয়া গদ্যসাহিত্যলৈ দুটা অৱদান উল্লেখ কৰাঁ।

(ঘ) সত্যনাথ বৰাৰ গদ্যৰ দুটা বৈশিষ্ট্য লিখাঁ।

(ঙ) সাম্প্ৰতিক সময়ৰ চাৰিগৰাকী অসমীয়া গদ্য লেখকৰ নাম লিখাঁ।

৩। (ক) অসমীয়া গদ্যসাহিত্যৰ উদ্ভৱ আৰু বিকাশৰ স্তৰসমূহ দেখুৱাই যি কোনো এটা স্তৰৰ বিষয়ে আলোচনা কৰাঁ। ১২





*অথবা*

(খ) 'জোনাকী' যুগৰ অসমীয়া গদ্যসাহিত্যৰ বিষয়ে এটি আলোচনা যুগুত কৰাঁ। ১২

৪। (ক) ভট্টদেৱৰ সাহিত্যকৃতিৰ বিষয়ে উল্লেখ কৰি 'কথা গীতা'ৰ 'কৰ্মযোগ' শীৰ্ষক পাঠৰ আধাৰত ভট্টদেৱৰ গদ্যৰ বিষয়ে উদাহৰণসহ আলোচনা আগবঢ়োৱাঁ। ৪+৮=১২

*অথবা*

(খ) বুৰঞ্জীৰ গদ্য আৰু চৰিতপুথিৰ গদ্যৰ বিষয়ে নিৰ্বাচিত পাঠ 'স্বৰ্গদেউ ৰুদ্ৰসিংহ' আৰু 'শংকৰ-মাধৱৰ মিলন'ৰ আধাৰত এটি তুলনাত্মক বিচাৰ আগবঢ়োৱাঁ। ৬+৬=১২

৫। (ক) 'অৰুণোদই' যুগৰ অসমীয়া গদ্যসাহিত্যৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। ১২

*অথবা*

(খ) আনন্দৰাম ঢেকিয়াল ফুকনৰ সাহিত্যকৃতিৰ বিষয়ে লিখি নিৰ্বাচিত অংশ 'সোণতকৈ শ্ৰম ভাল'-ৰ আধাৰত তেওঁৰ গদ্যশৈলীৰ বিষয়ে আলোচনা কৰাঁ। ৪+৮=১২

৬। (ক) আধুনিক অসমীয়া গদ্যসাহিত্যৰ প্ৰতিষ্ঠাতা হেমচন্দ্ৰ বৰুৱাৰ অৱদানৰ কথা সামৰি তেওঁৰ গদ্যশৈলীৰ বিষয়ে লিখাঁ। ৬+৬=১২

*অথবা*

(খ) বাণীকান্ত কাকতিৰ 'জাতীয় চৈতন্য' পাঠটোৰ বিষয়বস্তু আলোচনা কৰি অসমীয়া গদ্যসাহিত্যত বাণীকান্ত কাকতিৰ স্থান নিৰূপণ কৰাঁ। ৮+৪=১২



Scanned with OKEN Scanner

৭। (ক) বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'অসমীয়া ভাষাৰ গিয়াতি কুটুম' পাঠটিৰ বিষয়বস্তুৰ আলোচনাৰে তেওঁৰ গদ্যৰ আভাস দাঙি ধৰাঁ। ৭+৭=১৪

*অথবা*

(খ) 'আধুনিক আৰু আধুনিকতাবাদ' শীৰ্ষক ৰচনাত হীৰেন গোহাঁইৰ দ্বাৰা উপস্থাপিত বিষয়বস্তুৰ চমু আভাস দি হীৰেন গোহাঁইৰ গদ্যৰ বৈশিষ্ট্য সম্পৰ্কে এক আলোচনা যুগুত কৰাঁ। ৬+৮=১৪

★ ★ ★



Scanned with OKEN Scanner